**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-03-2026
**Time :** 1910 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। ন'ৰৱেৰ ৰাজধানী অচল'ত আজি তৃতীয় ভাৰত-নৰ্ডিক শীৰ্ষ সন্মিলন আৰম্ভ হৈছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত উপস্থিত হৈছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত আমেৰিকাৰ পাৰমাণৱিক উদ্যোগৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত আজি নতুন দিল্লীত নীট-ইউজি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। *আৰু*

৫। অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে শুভমন গীলৰ নেতৃত্বত ভাৰতীয় দলটো বাছনি কৰা হৈছে।

ooooo

ন'ৰৱেৰ ৰাজধানী অচল'ত আজি তৃতীয় ভাৰত-নৰ্ডিক শীৰ্ষ সন্মিলন আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ন'ৰৱে, ছুইডেন, আইচলেণ্ড, ফিনলেণ্ড আৰু ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে ২০২২ চনত ডেনমাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত সন্মিলনৰ পাছত ভাৰত আৰু নৰ্ডিক ৰাষ্ট্ৰসমূহৰ মাজত ক্ষেত্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে এই সন্মিলন অনুষ্ঠিত হৈছে। এইবাৰৰ এই সন্মিলনত প্ৰযুক্তি আৰু উদ্ভাৱন, বহনক্ষমতা, নৱীকৰণযোগ্য শক্তি আৰু ডিজিটাইজেচন আদি খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ইয়াৰ লগতে এই সন্মিলনৰ জৰিয়তে ভাৰত আৰু নৰ্ডিক অঞ্চলসমূহৰ মাজত বাণিজ্য আৰু বিনিয়োগ অধিক শক্তিশালী কৰাৰ দিশতো আলোচনা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে নৰ্ডিক অঞ্চলসমূহৰ সৈতে ভাৰত দ্বিপাক্ষিক বাণিজ্য বৰ্তমান প্ৰায় ১৯ বিলিয়ন ডলাৰলৈ উন্নীত হৈছে। এই সন্মিলনৰ জৰিয়তে ভাৰত আৰু নৰ্ডিক ৰাষ্ট্ৰসমূহৰ মাজত বহুপাক্ষিক সহযোগিতা অধিক সম্প্ৰসাৰণ কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনাৰ সুযোগ প্ৰদান কৰিব।

সন্মিলনৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আইচলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টুৰ্ন ফ্ৰাষ্টাডাট্টী, ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পেট্টেৰী অৰ্প' আৰু ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেট্টে ফ্ৰেডৰিক্সনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে ভাৰত আৰু কোৰিয়া গণৰাজ্যৰ মাজৰ প্ৰতিৰক্ষা আৰু কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাই হৈছে তেওঁৰ ভ্ৰমণৰ মূল উদ্দেশ্য। শ্ৰীসিঙে

লগতে কয়, যে এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন খণ্ডত সহযোগিতা অধিক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব।

দক্ষিণ কোৰিয়া ভ্ৰমণৰ সময়ত শ্ৰীসিঙে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী মন্ত্ৰীয়ে দেশ দুখনৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ ন-ন সুযোগৰ অন্বেষণ কৰিব। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিভিন্ন বিষয় সন্দৰ্ভতো মত বিনিময় কৰিব।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত আমেৰিকাৰ নিউক্লিয়াৰ এনাৰ্জি ইনষ্টিটিউটৰ লগতে দেশখনৰ আগশাৰীৰ পাৰমাণৱিক উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে বৈঠকত ছাষ্টেইনেব'ল হাৰ্নেছিং এণ্ড এডভান্সমেণ্ট অৱ নিউক্লিয়াৰ এনাৰ্জি ফৰ ট্ৰান্সফৰ্মিং ইণ্ডিয়া আইন সন্দৰ্ভত বিশেষভাৱে আলোকপাত কৰা হয়। তেওঁ লগতে কয়, যে এই আইনখনে ভাৰতৰ স্বচ্ছ শক্তি পৰিৱৰ্তন অধিক খৰতকীয়া কৰাৰ লগতে প্ৰযুক্তিগত অংশীদাৰিত্ব অধিক গভীৰ কৰিব। আজিৰ আলোচনাই ভাৰতৰ পাৰমাণৱিক শক্তি ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰিব বুলিও বাৰ্তাটোত বিত্তমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ভাৰতৰ পাৰমাণৱিক খণ্ডত গোলকীয় অংশগ্ৰহণক উৎসাহিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা শেহতীয়া পদক্ষেপসমূহৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পাৰমাণৱিক বিদ্যুৎ প্ৰকল্পসমূহত ভাৰতে এতিয়া ৪৯ শতাংশ পৰ্যন্ত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিছে বুলি প্ৰতিনিধি দলটোক অৱগত কৰে। প্ৰযুক্তি সহযোগিতা আৰু কৌশলগত অংশীদাৰিত্বই ভাৰতৰ পাৰমাণৱিক পৰিৱেশ তন্ত্ৰত উদ্ভাৱন আৰু স্থিতিস্থাপকতাত উৎসাহিত কৰিব বুলিও তেওঁ মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত আজি নতুন দিল্লীত নীট-ইউজি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্ছতাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি শ্ৰীপ্ৰধানে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। তেওঁ কয়, যে পূৰ্বতে ধৰা পৰা সকলো বিসংগতি সম্পূৰ্ণৰূপে নিৰ্মূল কৰি এইবাৰ পৰীক্ষা অনুষ্ঠিত কৰিব লাগিব। পৰীক্ষা কেন্দ্ৰসমূহত সুৰক্ষাৰ সকলো নীতি-নিয়ম সঠিকভাৱে পালন কৰাৰ লগতে পৰীক্ষা সময়ত সূক্ষ্ম নিৰীক্ষণ পদ্ধতি অৱলম্বন কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। সম্পূৰ্ণ পৰীক্ষা ব্যৱস্থাটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকসকলক অধিক তৎপৰ হ'বলৈও তেওঁ নিৰ্দেশ দিয়ে।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে আজি বিকশিত ভাৰতৰ যাত্ৰা অধিক ত্বৰান্বিত কৰাৰ লগতে প্ৰতিযোগিতামূলক সামৰ্থ বৃদ্ধিৰ বাবে ঔদ্যোগিক খণ্ড আৰু চৰকাৰৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে সকলো পক্ষকে আহ্বান জনাইছে। নতুন দিল্লীত অনুষ্ঠিত ২০২৬ বৰ্ষৰ **ভাৰত ব্যৱসায় সংস্কাৰ** শীৰ্ষ সন্মিলনত ভাষণ দি আজি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বৰ বৰ্তমানৰ পৰিস্থিতি আৰু ভূ-ৰাজনৈতিক অনিশ্চিয়তাত ভাৰতে নিজকে শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ বাবে সুবিধা গ্ৰহণ কৰিব পাৰে। এই সময়ছোৱাত ভাৰতে ব্যৱসায়িক প্ৰক্ৰিয়াসমূহ শক্তিশালী আৰু দ্ৰুত গতিৰে সংস্কাৰ সাধন কৰাৰ লগতে যোগান শৃংখলা সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। পশ্চিম এছিয়াৰ যুদ্ধসদৃশ পৰিস্থিতিত

ব্যৱসায়ীসকলক আতংকিত নহ’বলৈ আহ্বান জনাই তেওঁ কয়, যে এই সময়ছোৱাত তেওঁলোক অধিক সতৰ্ক হোৱা উচিত। ভাৰতে ক’ভিড-১৯ৰ দৰে অপ্ৰত্যাশিত প্ৰত্যাহ্বানসমূহ ইতিমধ্যে সফলতাৰে অতিক্ৰম কৰিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে বৰ্তমান উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে সপ্ৰতীভ আৰু দক্ষ ব্যৱসায়িক পদ্ধতি আহৰণ কৰিবলৈ প্ৰয়াস কৰা উচিত।

গোলকীয় সামৰ্থ কেন্দ্ৰ- জি চি চিৰ প্ৰসংগ উল্লেখ কৰি তেওঁ লগতে কয়, যে দেশত বৰ্তমান এহেজাৰ ৮০০টা জি চি চি কাৰ্যক্ষম হৈ আছে। এই জি চি চিসমূহে প্ৰায় ২০ লাখ লোকক প্ৰত্যক্ষভাৱে আৰু প্ৰায় এক কোটি লোকক পৰোক্ষভাৱে সংস্থাপনৰ সুবিধা দিছে। আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহে ভাৰতক শেহতীয়াকৈ বিশ্বস্ত অংশীদাৰ হিচাপে স্বীকৃতি দিয়াৰ প্ৰসংগও কেন্দ্ৰীয় মন্ত্ৰী পীয়ূষ গোৱেলে ভাষণ প্ৰসংগত উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাই গোচৰৰ সংখ্যা হ্ৰাস কৰা আৰু অমীমাংসিত হৈ থকা গোচৰসমূহ শীঘ্ৰে নিষ্পত্তি কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি ড০ মন্দাভিয়াই কয়, যে **নিধি আপকে নিকট** কাৰ্যসূচীৰ জৰিয়তে গোচৰসমূহ আগতীয়াকৈ চিনাক্ত কৰাৰ লগতে ক্ষীপ্ৰ নিষ্পত্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাৰ বাবেই ২০২৪ চনৰ ১ এপ্ৰিললৈকে নিষ্পত্তিবিহীনভাৱে থকা প্ৰায় ৫ হাজাৰৰ গোচৰৰ আধাতকৈও অধিক শেহতীয়াকৈ নিষ্পত্তি কৰা হৈছে।

শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে শ্ৰম আইন অধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সংস্থাটোৱে জনসম্পৰ্ক বৃদ্ধি আৰু সেৱাসমূহ অধিক সুশৃংখলিত কৰাৰ বাবে WHATSAPP মঞ্চ ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে। তেওঁ লগতে কয়, যে আন বিভিন্ন কাৰণত যিসকল লোকৰ গোচৰসমূহ অমীমাংসিত হৈ আছে তেওঁলোকৰ বাবে WHATSAPP-ৰ জৰিয়তেই এই গোচৰসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ’ব।

ooooo

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ’বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাচনি কৰা হৈছে। আজি গুৱাহাটীত বি চি চি আইৰ এখন বৈঠকত এই দল দুটা বাচনি কৰা হয়। গুৱাহাটীৰ অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ পাছত বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে বাচনিপ্ৰাপ্ত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি আফগানিস্তানৰ বিৰুদ্ধে হ’বলগীয়া টেষ্ট শৃংখলাৰ বাবে শুভমনগীলক অধিনায়ক আৰু কে এল ৰাহুলক উপ অধিনায়ক হিচাপে লৈ ১৫ জনীয়া খেলুৱৈ তালিকা প্ৰকাশ কৰা হৈছে। একেদৰে শুভমন গীলক অধিনায়ক আৰু শ্ৰেয়াছ আয়াৰক উপ অধিনায়ক হিচাপে লৈ এদিনীয়া দলটো ঘোষণা কৰা হৈছে। আফগানিস্তানৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত অনুষ্ঠিত হ’বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ্ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। টছত জিকি ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পি এল ক্রিকেট প্রতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে-অফ পৰ্যায়ত উপনীত হৈছে। দলটোৱে যোৱানিশা চেন্নাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত চেন্নাই ছুপাৰ কিংছ্‌ক ৫ উইকেটত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে।

খেলখনত বিজয়ী হোৱাৰ সুবাদত হায়দৰাবাদে গ্রুপ পৰ্যায়ত নিজৰ আৰু এখন খেল বাকী থকা অৱস্থাতে সম্প্রতি ১৬ পইণ্ট লাভ কৰিছে। একেদৰে গুজৰাট টাইটানছ্‌ দলটোৱেও ১৬ পইণ্ট লাভ কৰি প্লে-অফত স্থান নিশ্চিত কৰিছে। ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৮ পইণ্টেৰে প্লে-অফত উপনীত হৈছে। অৱশ্যে ১৩ খন খেলৰ পৰা এইপৰ্যন্ত ১২ পইণ্ট অৰ্জন কৰা চেন্নাইৰ দলটোও প্লে-অফ পৰ্যায়ত উপনীত হোৱাৰ দৌৰত আছে।

ooooo

সমাপ্ত